**REGIONAL NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 17-09-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

আজি কাৰিকৰী বিদ্যাৰ অধিষ্ঠাতা, বিশ্ব খনিকৰ শ্ৰীশ্ৰী বিশ্বকৰ্মা পূজা। গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি এই পূজাৰ বাবে ব্যাপক আয়োজন পৰিলক্ষিত হৈছে। ৰাজ্যৰ বিভিন্ন কল-কাৰখানা, চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠা, কাৰিকৰী প্ৰতিষ্ঠান, ছপাশাল আদিত সমূহীয়াভাৱে পূজাৰ আয়োজন কৰাৰ লগতে ব্যক্তিগত ভাবেও বিশ্বকৰ্মা পূজা অনুষ্ঠিত কৰিছে। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন স্থানত নাগাৰা নাম, নাম প্ৰসংগ আদিৰ আয়োজন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসাধাৰণলৈ বিশ্বকৰ্মা পূজাৰ ওলগ জনোৱাৰ লগতে উন্নত আৰু আত্মনিৰ্ভৰ ভাৰতৰ সংকল্প পূৰণত তেওঁলোকে অভূতপূৰ্ব অৱদান আগবঢ়াব বুলি আস্থা প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত দিয়া এটা শুভেচ্ছাবাৰ্তাযোগে ভগৱান বিশ্বকৰ্মাৰ আশীষে অনাগত দিনত সমগ্ৰ ৰাষ্ট্ৰৰ বাবে সমৃদ্ধি কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰিছে। আজি বিশ্বকৰ্মা পূজাৰ দিনাই তিনিচুকীয়া আৰক্ষী চকীৰ নতুন গৃহ উদ্বোধন কৰা হয়। তিনিচুকীয়া সদৰ আৰক্ষী থানাৰ অধীনত প্ৰতিষ্ঠা হোৱা ন-পুখুৰী আৰক্ষী চকীৰ নৱনিৰ্মিত ভৱন জিলাখনৰ আয়ুক্ত স্বপ্নীল পালৰ উপস্থিতিত তিনিচুকীয়াৰ আৰক্ষী অধীক্ষক অভিজিৎ গৌৰৱ দিলীপে উদ্বোধন কৰে।

0000000

অসমত চলিত বৰ্ষত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে আজি কেইবাখনো জিলাৰ পুনৰ নিৰ্ধাৰিত সমষ্টিৰ খচৰা প্ৰকাশ কৰা হয়। সমষ্টিৰ সীমা নিৰ্ধাৰণৰ ক্ষেত্ৰত চৰকাৰে জাৰি কৰা নীতি-নিৰ্দেশনা মৰ্মে প্ৰস্তুত কৰা সচৰা অনুসৰি শোণিতপুৰ জিলাৰ উন্নয়নখণ্ডৰ সংখ্যা পূৰ্বৰ ৭খনৰ ঠাইত ৮খন, গাঁও পঞ্চায়তৰ সংখ্যা ৮২ খনৰ ঠাই ৮৮ খন হৈছে। ৰাজ্য চৰকাৰৰ পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ নিৰ্দেশনাৰ লগত সংযোগ ঘটাই খচৰা প্ৰকাশৰ পাছৰ কামখিনি চলাই নিবৰ বাবে সময়সীমা নিৰ্ধাৰণ কৰি দিয়া হৈছে। এই অনুসৰি কাইলৈৰ পৰা অহা ২০ ছেপ্তেম্বৰলৈকে জিলা আয়ুক্তৰ কাৰ্যালয়ত ব্যক্তিগত তথা ৰাজহুৱা দল সংগঠনৰ আবেদন গ্ৰহণ কৰা হ'ব। পৰিহিলৈ এই সন্দৰ্ভত সকলো স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ সৈতে আলোচনা অনুষ্ঠিত হ'ব। অহা ২২ ছেপ্তেম্বৰত ব্যক্তিগত তথা ৰাজহুৱা দল সংগঠনৰ পৰা পোৱা অভাৱ-অভিযোগ আদিৰ আবেদনসমূহৰ পৰ্যালোচনা আৰু শুনানিৰ দিন ধাৰ্য কৰা হৈছে। শুনানি গ্ৰহণৰ পাছত প্ৰয়োজনীয় সংশোধনী আদি কৰি অহা ২৭ ছেপ্তেম্বৰত চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব বুলি জিলাৰ আয়ুক্তই সংবাদমেল যোগে জানিবলৈ দিছে। উল্লেখযোগ্য যে সীমা নিৰ্ধাৰণৰ খচৰাৰ প্ৰতিলিপি পঞ্চায়ত কাৰ্যালয়, ব্লক কাৰ্যালয় আৰু চক্ৰবিষয়াৰ কাৰ্যালয়ত সংশ্লিষ্ট সকলোৱে পঢ়িব পৰাকৈ উপলভ্য কৰা হ'ব বুলি জানিব পৰা গৈছে। চৰাইদেউ জিলাতো ২০০১ চনৰ লোকপিয়লৰ ওপৰত ভিত্তি কৰি জিলাখনৰ অন্তৰ্গত গাঁও পঞ্চায়ত আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ পুনৰ নিৰ্ধাৰণৰ খচৰা আজি প্ৰকাশ কৰা হয়। প্ৰয়োজনীয় সাল-সলনিৰ পাছত পূৰ্বৰ দৰেই জিলাখনৰ জিলা পৰিষদ সমষ্টিৰ সংখ্যা ৭ খন, গাঁও পঞ্চায়ত সংখ্যা ৩৬ খন, ৱাৰ্ডৰ সংখ্যা ৩৬০ আৰু লোকপিয়ল গাঁৰৰ সংখ্যা ৩২৭ খন হৈছে। পুনৰ নিৰ্ধাৰণৰ খচৰা সন্দৰ্ভত কোনো ওজৰ-আপত্তি থাকিলে অহা ২০ ছেপ্তেম্বৰৰ ভিতৰত জিলা পুনৰ নিৰ্ধাৰণ আয়োগক অৱগত কৰিব পাৰিব বুলি জিলাখনৰ আয়ুক্তই এখন সংবাদমেল যোগে জানিবলৈ দিছে।

0000000

কেন্দ্ৰীয় বস্ত্ৰ দপ্তৰৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই আজি নতুন দিল্লীত বহনক্ষম বস্ত্ৰ সন্মিলনৰ তৃতীয় সংস্কৰণ উদ্বোধন কৰে। বস্ত্ৰক্ষেত্ৰত প্ৰত্যাহ্বানৰ মুখামুখি হোৱাৰ লগতে ইয়াৰ বহনক্ষমতা বৃদ্ধিৰ সুবিধা প্ৰদানৰ বাবে এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত দিয়া ভাষণত শ্ৰী মাৰ্ঘেৰিটাই কৰ্মসংস্থাপন সৃষ্টিৰ ক্ষেত্ৰত বহনক্ষমতা মূল চাবি-কাঠী বুলি উল্লেখ কৰি বস্ত্ৰ উদ্যোগৰ বহনক্ষমতাৰ ক্ষেত্ৰত বিশ্বক নেতৃত্ব দিয়াৰ বাবে ভাৰতৰ লক্ষ্যৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰ আৰু অংশীদাৰী গোটসমূহে এইক্ষেত্ৰত ঐক্যবদ্ধ হৈ লক্ষ্যত উপনীত হোৱাৰ বাবে কাম-কাজ অব্যাহত ৰাখিছে। তেওঁ লগতে কয় যে ভাৰতে বহনক্ষমতাক আধুনিক জীৱনশৈলী হিচাপে গ্ৰহণ কৰিছে। এয়া কেৱল জনসাধাৰণৰ ৰুচিয়েই নহয়, প্ৰয়োজনো বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে কয় যে ফাইভ এফৰ নীতি অৰ্থাৎ ফাৰ্ম, ফাইবাৰ, ফেক্টৰী, ফেচন আৰু ফ'ৰেন মাৰ্কেটৰ সহায়ত ভাৰতে ছেউজ বস্ত্ৰ উদ্যোগ গঢ়ি তোলাৰ দিশে অগ্ৰসৰ হৈছে।

0000000

উচ্চতম ন্যায়ালয়ে আজি দেশৰ কোনো ঠাইতে আগতীয়া অনুমতি অবিহনে উচ্ছেদ কাৰ্য চলাব পৰা নাযাব বুলি এটা অন্তৰ্বৰ্তী আদেশ জাৰি কৰিছে। বিভিন্ন ৰাজ্যত এনেধৰণৰ উচ্ছেদ কাৰ্য সন্দৰ্ভত দাখিল হোৱা আবেদনৰ শুনানি গ্ৰহণ কৰি ন্যায়ালয়ে এই আদেশ জাৰি কৰে। অৱশ্যে ৰাজহুৱা পথ, পদপথ, ৰে'লপথ আৰু জলাশয়কে ধৰি অন্য ৰাজহুৱা স্থানত অবৈধ দখলৰ ক্ষেত্ৰত এই আদেশ প্ৰযোজ্য নহ'ব বুলি ন্যায়ালয়ে স্পষ্ট কৰি দিয়ে। ন্যায়াধীশ ডি আৰ গাভাই আৰু কে ভি বিশ্বনাথনৰ আদালতে আজি এই ৰায় দিয়ে।

0000000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে অংশকালীন সংবাদদাতা হিচাপে বজালী, বিশ্বনাথ, ডিব্ৰুগড়, হোজাই, কামৰূপ, পশ্চিম কাৰ্বি আংলং, ধেমাজি আৰু কাছাৰ জিলাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। আগ্ৰহী প্ৰাৰ্থীসকলে আকাশবাণীৰ ৱেবছাইট www.newsonair.gov.in ত লগ ইন কৰি সবিশেষ তথ্য লাভ কৰাৰ লগতে আবেদন পত্ৰ ডাউনলোড কৰিব পাৰিব। প্ৰাৰ্থীসকলে নিজ হাতে নাইবা ডাকযোগে অহা ৩০ ছেপ্তেম্বৰৰ ভিতৰত প্ৰয়োজনীয় নথিপত্ৰসহ The Head of Office, Akashvani, Guwahati, Chandmari, Guwahati-781003 এই ঠিকনালৈ আবেদন-পত্ৰ প্ৰেৰণ কৰিব পাৰিব।

000000

**সমাপ্ত**